# সম্ভাব্য প্ৰশ্নোত্তৰ

## সাধাৰণ বিজ্ঞান

## অধ্যায়1, 2, 3

1. বিযোজন বিক্ৰিয়াক সংযোজন বিক্ৰিয়াৰ বিপৰীত বোলা হয় কিয়?উদাহৰণসহ বুজাই লিখা।
2. তাপবৰ্জী আৰু তাপগ্ৰাহী বিক্ৰিয়া কাক বোলে ? ৰাসায়নিক সমীকৰণসহ প্ৰত্যেকৰে এটাকৈ উদাহৰণ দিয়া।
3. ছ'ডিয়াম হাইড্ৰ'কাৰ্বনেট দ্ৰৱ এটা উত্তপ্ত কৰিলে কি ঘটে ? বিক্ৰিয়াটোৰ ৰাসায়নিক সমীকৰণ লিখা।
4. ধাতৱীয় অক্সাইড বোৰক ক্ষাৰকীয় অক্সাইড বোলা হয় কিয় ?
5. দুটা পৰীক্ষা নলত পৃথককৈ বিশুদ্ধ পানী আৰু নেমুৰস ৰখা হৈছে ? উপযুক্ত সূচকৰ সহায়ত নেমুৰসখিনি কেনেকৈ চিনাক্ত কৰিবা ?
6. তলৰ বিক্ৰিয়াবোৰৰ ৰাসায়নিক সমীকৰণ লিখা।
   A) উত্তপ্ত আয়ৰণৰ লগত জলীয় বাষ্পৰ বিক্ৰিয়া
   B) মাৰকিউৰিক অক্সাইডক উত্তপ্ত কৰিলে কি হয় ?
   C) কপাৰ ছালফেটৰ সৈতে লোৰ বিক্ৰিয়া।

--------

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীৰ বাবে সম্ভাব্য প্ৰশ্ন-

বিষয় — অসমীয়া

পাঠ—বৰগীত ,জিকিৰ

মূল্যাংক : ১ নম্বৰকৈ

১।তোমাৰ পাঠপুথিৰ অন্তৰ্গত বৰগীতটিত কবিয়ে 'বান্ধৱ' । বুলি কাক সম্বোধন কৰিছে

২।বৰগীতটো কি ৰাগৰ?

৩। মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?

৪।'জিকিৰ' শব্দৰ অৰ্থ কি?

৫।'আজান ফকীৰ'ক কি বুলি আখ্যা দিয়া হয়?

৬।জিকিৰ গীতৰ লগত অসমীয়া কোনবোৰ গীতক তুলনা
কৰিব পাৰি?

৭।'ৰহমত গিৰিহঁত' শব্দ দুটাই কি বুজাইছে?

৮।'মোমিন'ৰ অৰ্থ কি?

৯। জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

১০। 'মোহ-পাশ' মানে কি ?

মূল্যাংক : ২/৩ নম্বৰকৈ

১। চমুটোকা লিখা :
আজান ফকীৰ , ব্ৰজাৱলী ভাষা

২। জিকিৰৰ বিষয়ে এটি টোকা লিখা।

৩।বৰগীতৰ তিনিটা লক্ষণ উল্লেখ কৰা।

৪। "আচমানৰ কুটুব তৰা আদমৰ জাত ।
সজাত মইনা আছে ঘনে লগায় মাত।।"—
অন্তনিৰ্হিত অৰ্থটি বুজাই লিখা।

৫। "সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাক বিচাৰি নপায়।।"—তাৎপৰ্য বিচাৰ কৰা।

৬।সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা
অধমে জানিবো কেনে তোমাৰ মহিমা।।— অন্তনিৰ্হিত অৰ্থটি বুজাই লিখা।

৭। মাধৱদেৱৰ ৰচনাসমূহ কেইটা ভাগত ভগাব পাৰি?
ভাগকেইটাৰ নাম লিখা।

২। যিকোনো এটা কবিতাৰ মূলভাৱ লিখা । ৪
বৰগীতটি , জিকিৰ

Probable Questions for H.S.L.C Examination 2022.

Subject: Social Science

Part(1) History.

পাঠ : বংগ বিভাজন আৰু স্বদেশী আন্দোলন।

১.অতি চমু উত্তৰ দিয়া( ১ নম্বৰ বাবে)

(ক) বংগ বিভাজন কোনগৰাকী ভাইচৰয়ৰ শাসন কালত সংঘটিত হৈছিল?

খ) বিদেশী পণ্য বৰ্জনৰ প্ৰস্তাৱ কোনখন সভাত গ্ৰহণ কৰা হৈছিল?

গ)'সঞ্জীৱনী' নামৰ সংবাদ পত্ৰ খন সম্পাদনা কোনে কৰিছিল?

ঘ) বংগ দেশত 'জাতীয় শিক্ষা পৰিষদ' নামৰ অনুষ্ঠানটো কেতিয়া গঠন হৈছিল?

ঙ) বংগ দেশৰ একত্ৰিকৰণ কেতিয়া হৈছিল?

2. উত্তৰ লিখা (৩/৪/৫ নম্বৰ ৰ বাবে)

১.বংগ বিভাজনৰ অন্তৰ্নিহিত উদ্দেশ্যে কি আছিল চমুকৈ লিখা।

২.বংগ বিভাজন বিৰোধী আন্দোলনে 'স্বদেশী আন্দোলন' নাম কিয় পাইছিল চমুকৈ লিখা।

৩. স্বদেশী আন্দোলনত মহিলাৰ ভূমিকা আলোচনা কৰা।

৪.স্বদেশী আন্দোলনৰ সময়ছোৱাত বংগ দেশৰ জাতীয় শিল্পৰ বিকাশ কেনেদৰে হৈছিল?

৫.স্বদেশী আন্দোলনৰ ফলাফল সমূহ লিখা।

## PROBABLE QUESTIONS FOR HSLC-2022

## PART – 1

## Subject :Mathematics

1. তলৰ কো কেইটা সংখ্যা সমানুপাতত আছে.　　1

   A) 10,20,30,60　B) 4,5,6,8 C) 15,30,40,60　D) 4,8,6,10

2. P, Q ৰ প্ৰত্যক্ষ সমানুপাতত হলে যদি P ৰ মান 6 তেন্তে Q ৰ মান 12, যদি Q ৰমান 10 হয় P ৰ মান কি? 2

3. 5 "জন মানুহে এটা কাম 40 দিনত কৰিব পাৰিব, সেই কামটো 2 দিনত কিমান জন মানুহে কৰিব? 2

4. তলৰ কোনটো সংখ্যাৰ বৰ্গৰ একক স্থানত 6 হব.　　1

   A) 123　B) 225　C) 456　D) 319

5. তলৰ কোনটো অযুগ্ম সংখ্যাৰ বৰ্গ.　　1

   A) 256　B) 546 C) 754　D) 169

6. বৰ্গমূল নিৰ্ণয় কৰা : 1764　　2

7. আটাইতকৈ সৰু কি সংখ্যাৰে পুৰণ কৰিলে 648 সংখ্যাটো পূৰ্ণঘন হব? 2

8. এটা ঘনকৰ বাহুৰ দীঘ 1.2 ছেমি হলে ঘনকটোৰ আয়তন নিৰ্ণয় কৰা 2

9. এটা ঘকৰ আয়তন 6859 ছেমি$^3$ হলে ঘনকটোৰ বাহুৰ দীঘ নিৰ্ণয় কৰা

10. প্ৰমাণ কৰা যে যিকোনো ধনাত্মক অযুগ্ম অখণ্ড সংখ্যাই 4q+1,4q+3 আহিব. 3

11. প্ৰমাণ কৰা যে যিকোনো ধনাত্মক অযুগ্ম অখণ্ড সংখ্যাই 6q+1,6q+3,6q+5 আহিব 3

12. ইউক্লিডৰ হৰণ বিধি প্ৰয়োগ কৰি গ:সা: উ নিৰ্ণয় কৰা

    :A) 420,130 B) 384,1246　　2+3

13. এটা বহুপদৰ শূণ্য দুটা – 3,-4 হলে বহুপদটো নিৰ্ণয় কৰা　　3

14. এটা বহুপদৰ শূণ্যৰ সমষ্টি 0, আৰু পুৰনফল – 9 হলে বহুপদটো নিৰ্ণয় কৰা　2

15. $3x^2$-x-4 বহুপদৰ শূণ্য নিৰ্ণয় কৰি শূণ্য আৰু সহগৰ সম্পৰ্ক সত্যাপন কৰা　4

16. প্ৰমাণ কৰা যে $\sqrt{5}$ এটা অপৰিমেয় সংখ্যা　　3